NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI

0000000000

Date : 08-11-2026
Time : 0705 hrs

Assamese Morning Bulletin

HEADLINES

১। সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতিৰে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হৈছে। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে দীপাৱলী উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে।

২। ভাৰতীয় খাদ্য সুৰক্ষা মানক প্ৰাধিকৰণে পহিলা ছেপ্তেম্বৰৰ পৰা চলোৱা অভিযানত প্ৰায় ৩ হাজাৰ ২৮০ টন নিষিদ্ধ আৰু খাদ্য সুৰক্ষাৰ মান উলংঘা কৰা সামগ্ৰী জব্ধ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে কৰ্কট ৰোগৰ ১৩৭ বিধ ঔষধৰ সংশোধিত মূল্য কাইলৈৰ পৰা প্ৰযোজ্য হ'ব বুলি ঘোষণা কৰিছে।

৪। অসমত ২০২৬ বৰ্ষতে ৫১ হাজাৰ ৭০০ৰো অধিক নতুন প্ৰাপ্তবয়স্ক কৰ্কট ৰোগী চিনাক্ত হোৱাৰ আশংকা ব্যক্ত কৰা হৈছে।

আৰু

৫। জাপানত আজি পুৱা হোৱা এটা ভূমিকম্পত কমেও ২২ জন লোক আহত হয়।

ooooo

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি-নীতিৰে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পূৰ্বৰ পৰম্পৰা অক্ষুন্ন ৰাখি এইবাৰো সশস্ত্ৰ বাহিনীসমূহৰ সাহসী সৈনিকসকলৰ সৈতে দীপাৱলী উদযাপন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভিডিঅ' বাৰ্তা যোগে জনসাধাৰণক দীপাৱলীৰ শুভেচ্ছা জনায় কয়, যে পোহৰৰ এই উৎসৱে সমগ্ৰ দেশক আলোকিত কৰি তোলে। এই উৎসৱে অন্ধকাৰৰ বিৰুদ্ধে বিজয়ৰ সংকল্পৰ বাৰ্তা বহন কৰে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধি কামনা কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰেও দেশৰ জনসাধাৰণক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তা যোগে কয়, যে এই উৎসৱ অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয়ৰ প্ৰতীক। এই উৎসৱে দুখ-কষ্টৰ অৱসান ঘটাই আনন্দমুখৰ আৰু সমৃদ্ধিশালী জীৱনৰ আৰম্ভণি সূচাই বুলিও তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে পৰিৱেশ সুৰক্ষিত কৰিবলৈ, সমন্বয়ৰ প্ৰসাৰ ঘটাবলৈ আৰু বিকশিত ৰাষ্ট্ৰৰ নিৰ্মাণৰ দিশে অৱদান আগবঢ়াবলৈ জনসাধাৰণ প্ৰতি আহ্বান জনায়। তেওঁ লগতে প্ৰতিগৰাকী নাগৰিকৰ সু-স্বাস্থ্য, সুখ আৰু সমৃদ্ধি কামনা কৰে।

ooooo

ভাৰতবৰ্ষৰ সমান্তৰালকৈ বিশ্বৰ প্ৰান্তে প্ৰান্তে বিভিন্ন সম্প্ৰদায়ৰ লোকসকলে উলহ-মালহেৰে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰিছে। বিশ্বৰ ভিন্ন প্ৰান্তৰ পৰা দীপাৱলী উদযাপনৰ দৃশ্য প্ৰকাশ পোৱাৰ লগে লগে এই উৎসৱৰ গোলকীয় জনপ্ৰিয়তা বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে।

পেৰিছৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰই সাধুৰ বৰ্ণন আৰু কাগজৰ পুতলা নাচৰ সুন্দৰ সমন্বয়েৰে ৰামায়ণৰ কালজয়ী কাহিনী উপস্থাপন কৰি দীপাৱলী পালন কৰে। বিশিষ্ট শিল্পী উষা ভেংকটৰমণে পৰিবেশন কৰা এই অনুষ্ঠানত তামিল, হিন্দী, মাৰাঠী, ইংৰাজী আৰু তেলেগু ভাষাত ব্যাখ্যা তথা গীত অন্তৰ্ভুক্ত কৰি ভাৰতৰ ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰ্যক উপস্থাপনৰ লগতে অন্ধকাৰৰ ওপৰত পোহৰৰ তথা অসত্যৰ ওপৰত সত্যৰ বিজয়ৰ বাৰ্তা প্ৰচাৰ কৰা হয়। এই সাংস্কৃতিক কেন্দ্ৰটো ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদৰ ICCR-ৰ অধীনত পৰিচালিত।

ইপিনে, বিশ্বৰ কেইবাগৰাকীও প্ৰধান নেতা আৰু ৰাজদূতে দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন পাইছে। সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ UAE-ৰ উপ-ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন ৰশিদ আল মাকতুমে সামাজিক মাধ্যমৰ জৰিয়তে সংযুক্ত আৰব আমিৰাতকে ধৰি বিশ্ববাসীলৈ দীপাৱলীৰ শুভেচ্ছা জনায়। ভাৰতত নিযুক্ত ইউৰোপীয় সংঘৰ ৰাজদূত জীন-এৰিক পেকেটে ভাৰতত উদযাপন কৰা তেওঁৰ প্ৰথম দীপাৱলীৰ অভিজ্ঞতা স্মৰণ কৰি সমগ্ৰ পৰিৱেশটো পোহৰেৰে উদ্ভাসিত হৈ পৰা বুলি প্ৰশংসা কৰে।

ন'ৰৱেৰ ৰাজদূত মে'-এলিন ষ্টেনৰে এটা ভিডিঅ'যোগে দীপাৱলীৰ শুভেচ্ছা জনোৱাৰ লগতে জার্মানী, ভূটান আৰু ডেনমার্কৰ ৰাজদূতসকলেও নিজ নিজ শুভেচ্ছা বাৰ্তা প্ৰেৰণ কৰে। ভাৰতস্থিত জাপানৰ দূতাবাসে এই উপলক্ষে নৈশভোজৰো আয়োজন কৰে। ইয়াৰ পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে হোৱাইট হাউছত চাকি জ্বলাই দীপাৱলী উদযাপনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰত-চীন সীমান্তত নিয়োজিত সৈনিকসকলৰ সৈতে পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰাৰ বাবে আজি পুৱা ছিকিম ভ্ৰমণ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে নাথুলাৰ সমীপৰ শ্বেৰথাং যুদ্ধ স্মাৰকত ৰাষ্ট্ৰৰ হকে প্ৰাণ আহুতি দিয়া জোৱানসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। তেওঁ লগতে অঞ্চলটোত নিয়োজিত সৈনিকসকলৰ সৈতে মত বিনিময় কৰিব।

ooooo

ভাৰতীয় খাদ্য সু�ৰক্ষা মানক প্ৰাধিকৰণে পহিলা ছেপ্তেম্বৰৰ পৰা চলোৱা অভিযানত প্ৰায় ৩ হাজাৰ ২৮০ টন নিষিদ্ধ আৰু খাদ্য সুৰক্ষাৰ মান মানি নচলা সামগ্ৰী জব্ধ কৰিছে। জব্দ কৰা সামগ্ৰীসমূহৰ ভিতৰত প্ৰায় ৮২ কোটি টকা মূল্যৰ পনীৰ, ঘি, গাখীৰ আৰু মিঠাই আছে। এই অভিযানৰ অধীনত ৫৬ হাজাৰ ৪০০ৰো অধিক খাদ্য প্ৰতিষ্ঠান সামৰি লোৱা হৈছে। খাদ্য সুৰক্ষা আৰু মানক প্ৰাধিকৰণে খাদ্য সুৰক্ষাৰ নিময় উলংঘা কৰাৰ বাবা ৫২ খন অনুজ্ঞা পত্ৰ বাতিল, এহেজাৰ ১০০ৰো অধিক অনুজ্ঞাপত্ৰ সাময়িকভাৱে অকামিলা আৰু ৩০০ৰো অধিক প্ৰতিষ্ঠান ছীল কৰিছে। প্ৰাধিকৰণে লগতে খাদ্য ভেজালকৰণ বন্ধ কৰা আৰু গ্ৰাহকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ প্ৰচেষ্টাৰ অংশহিচাপে খাদ্য ব্যৱসায়ীলৈ ১০ হাজাৰৰো অধিক মান উন্নীতকৰণৰ জাননী জাৰি কৰিছে।

০০০০০

কেন্দ্রীয় চৰকাৰে কৰ্কট ৰোগৰ ১৩৭ বিধ ঔষধৰ সংশোধিত মূল্য কাইলৈৰ পৰা প্ৰযোজ্য হ'ব বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰীয় ভেষজ মূল্য নিৰ্ধাৰণ প্ৰাধিকৰণ এন পি পি এয়ে অলপতে এই ঔষধসমূহৰ সৰ্বাধিক খুচুৰা মূল্যৰ ক্ষেত্ৰত ব্যৱসায়িক লাভৰ সীমা নিৰ্ধাৰণ কৰিছিল। এই পদক্ষেপৰ ফলত ঔষধসমূহৰ মূল্য হ্ৰাস পাব বুলি আশা কৰা হৈছে।

০০০০০

অসমত অকল ২০২৬ বৰ্ষতে ৫১ হাজাৰ ৭০০ৰো অধিক নতুন প্ৰাপ্তবয়স্ক কৰ্কট ৰোগী চিনাক্ত হোৱাৰ আশংকা আছে। ইয়াৰে ভিতৰত ২৮ হাজাৰ ১৪১ গৰাকী পুৰুষ আৰু ২৩ হাজাৰ ৫৯৩ গৰাকী মহিলা। ৰাষ্ট্ৰীয় কৰ্কট সজাগতা দিৱস উপলক্ষে কালি ডাঃ বি. বৰুৱা কৰ্কট ৰোগ প্ৰতিষ্ঠানত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত প্ৰতিষ্ঠানটোৰ জ্যেষ্ঠ কৰ্কট ৰোগ বিশেষজ্ঞসকলে এইকথা সদৰি কৰে। বিশেষজ্ঞসকলে এই ৰোগ নিয়ন্ত্ৰণৰ বাবে আগতীয়া চিনাক্তকৰণ, জীৱন শৈলীৰ পৰিৱৰ্তন আৰু সুষম চিকিৎসা সেৱাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত প্ৰতিষ্ঠানটোৰ উপ সঞ্চালক ডাঃ অশোক কুমাৰ দাসে উত্তৰ পূৰ্বাঞ্চলত এই ৰোগৰ প্ৰাদূর্ভাৱৰ এখন উদ্বেগজনক ছবি উপস্থাপন কৰে। তেওঁ কামৰূপ মহানগৰ জিলাত কৰ্কট ৰোগৰ হাৰ দেশৰ ভিতৰত সৰ্বাধিক বুলি মন্তব্য কৰে। জিলাখনত ৭৫ বছৰ বয়সৰ পূৰ্বে পুৰুষৰ ক্ষেত্ৰত ৪ গৰাকীৰ ভিতৰত এগৰাকী আৰু মহিলাৰ ক্ষেত্ৰত ৫ গৰাকীৰ ভিতৰত এগৰাকী কৰ্কট ৰোগত আক্ৰান্ত হোৱাৰ আশংকা আছে বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ প্ৰতিষ্ঠানটোত চিকিৎসা লাভ কৰা পুৰুষ ৰোগীৰ ৫৬ শতাংশ ধঁপাতজনিত কাৰণত আক্ৰান্ত হোৱা বুলি জানিবলৈ দিয়ে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱাশ্বিংটনস্থিত ভাৰতীয় দূতাৱাসে লবী ফাৰ্ম নিয়োগ কৰা বুলি সামাজিক মাধ্যম যোগে প্ৰচাৰিত বাতৰি খণ্ডন কৰিছে। মন্ত্ৰ্যালয়ৰ তথ্য পৰীক্ষা গোটে এই বাতৰি বিভ্ৰান্তিকৰ বুলি মন্তব্য কৰিছে। মন্ত্ৰ্যালয়ে আমেৰিকাৰ দূতাৱাসসমূহে লবী ফাৰ্মৰ সেৱা লোৱাটো স্বাভাৱিক কথা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ে লগতে ৱাশ্বিংটনত থকা ভাৰতীয় দূতাৱাসে ১৯৪৮ চনৰে পৰা এনে ধৰণৰ ফাৰ্মৰ সেৱা লৈ আহিছে আৰু ইয়াৰ সৰিশেষ জনসাধাৰণৰ বাবে উপলব্ধ বুলি স্পষ্ট কৰি দিছে। মাৰ্কাৰী প্লাৰিক এফেয়াৰ্ছ নামৰ ফাৰ্মখনে অকল সামাজিক মাধ্যম এক্সত পোষ্ট কৰা বুলি স্পষ্টভাৱে উল্লেখ কৰিছে বুলি মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে।

০০০০০

জাপানৰ মধ্যভাগত আজি পুৱা ভূমিকম্পৰ তীব্ৰ জোকাৱণি অনুভূত হয়। ভূমিকম্পৰ ফলত দোকানৰ কাঁচ ভাঙি যায় আৰু জনসাধাৰণ ভয়ত ঘৰৰ বাহিৰলৈ ওলাই আহে। ভূমিকম্পৰ ফলত কমেও ২২ জন লোক আহত হয়। জাপানৰ বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে ৰিখটাৰ স্কেলত এই ভূমিকম্পৰ প্ৰাবল্য ৫ দশমিক ৭ আছিল আৰু শ্বিজুঅ'কা প্ৰদেশত ভূ-পৃষ্ঠৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ গভীৰতাত ইয়াৰ অভিকেন্দ্ৰ আছিল। ভূমিকম্পৰ ফলত আইচি প্ৰদেশত সৰ্বাধিক প্ৰভাৱ পৰিলক্ষিত হয়।

০০০০০

পোলেণ্ডৰ ক্ৰাক'ভ চহৰৰ এটা ব্যস্ত বজাৰ এলেকাত এজন বন্দুকধাৰীৰ গুলীচালনাত ৬ জন লোক নিহত হোৱাৰ লগতে ১৫ জন আহত হয়। ক্ৰাক'ভ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, আক্ৰমণকাৰীজন পোলেণ্ডৰ নাগৰিক আৰু চহৰখনৰ মূল পৰ্যটন কেন্দ্ৰ 'মেইন স্কোৱেৰ'ত বাহনেৰে প্ৰৱেশ কৰি সাধাৰণ লোকক লক্ষ্য কৰি নিৰ্বিচাৰ গুলীচালনা কৰে। আহতসকলৰ ভিতৰত আৰক্ষী বিষয়াও আছে।

ঘটনাস্থলীৰ পৰা কিছু দূৰত আৰক্ষীৰ সৈতে হোৱা গুলীয়াগুলীত আক্ৰমণকাৰীজনো গুলিবিদ্ধ হৈ আহত হয়। আৰক্ষীয়ে লোকজনৰ বাহনৰ পৰা বহু পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ জব্দ কৰিছে।

ঘটনাটোত অকল এজন ব্যক্তিয়েই জড়িত আছিল আৰু বৰ্তমান সৰ্বসাধাৰণ সুৰক্ষিত বুলিও আৰক্ষীয়ে নিশ্চিত কৰিছে।

ooooo

ওমান উপসাগৰত নিষেধাজ্ঞা অমান্য কৰাৰ প্ৰচেষ্টা চলোৱা এখন বাণিজ্যিক জাহাজত গুলীচালনা কৰা বুলি আমেৰিকাৰ সেনাই প্ৰকাশ কৰিছে। কৰ্তৃপক্ষই জনোৱা অনুসৰি, বাৰম্বাৰ সতৰ্ক কৰাৰ পাছতো ছেইণ্ট কিটছৰ পতাকাবাহী জাহাজখনে নিষেধাজ্ঞা উলংঘা কৰি ইৰাণৰ বন্দৰৰ যাত্ৰা সামৰি ওলাই যোৱাৰ চেষ্টা কৰাৰ সময়তে এই পদক্ষেপ গ্ৰহণ কৰা হয়। অতি গুৰুত্বপূৰ্ণ হৰমুজ প্ৰণালীৰ জলভাগত আমেৰিকাই নৌ-অৱৰোধ বলবৎ কৰি ৰাখিছে।

ইপিনে, শনিবাৰে কিস্ম দ্বীপ আৰু জাস্ক্ বন্দৰত বিস্ফোৰণ সংঘটিত হোৱা বুলি ইৰাণৰ গণমাধ্যমে প্ৰকাশ কৰিছে যদিও এই বিস্ফোৰণৰ প্ৰকৃত কাৰণ এতিয়ালৈ স্পষ্ট হোৱা নাই। ইয়াৰ মাজতে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে শুক্ৰবাৰে মন্তব্য কৰে যে ইৰাণৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাক লক্ষ্য কৰি আমেৰিকাৰ সেনাই সীমিত আক্ৰমণ চলাইছিল আৰু এয়া অতি সাধাৰণ। আমেৰিকাৰ মধ্যৱৰ্তী নিৰ্বাচনৰ পাছত ইৰাণৰ বিৰুদ্ধে ট্ৰাম্পে অতিৰিক্ত আক্ৰমণ চলোৱাৰ কথা বিবেচনা কৰাক কেন্দ্ৰ কৰি অঞ্চলটোত উত্তেজনা অব্যাহত আছে।

ooooo

সমাপ্ত